**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------

১। অহা ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় পৰ্যায়ৰ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থকাটো নিশ্চিত বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। ৰাজ্যখনত সংস্কৃত শিক্ষাৰ পুনৰুজ্জীৱিতকৰণৰ বাবে অসম চৰকাৰৰ বিশেষ পদক্ষেপ গ্ৰহণৰ বাবে মন্ত্ৰীসভাত সিদ্ধান্ত।

৩। বিজেপিৰ জ্যেষ্ঠ নেতা দেৱেন্দ্ৰ ফাড়নবিছৰ আজি তৃতীয়বাৰৰ বাবে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ।

৪। অসম মুছলিম বিবাহ আৰু বিচ্ছেদ পঞ্জীয়ন আইন, ১৯৩৫ বাতিল কৰাক লৈ এটা সংগঠনে দাখিল কৰা আবেদনৰ ভিত্তিত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰাজ্য চৰকাৰলৈ জাননী জাৰি। **আৰু**

৫। ওমানৰ মাস্কটত অনুষ্ঠিত পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতৰ চূড়ান্ত বিজয়ীৰ খিতাপ দখল।

০০০০০০

অহা ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া **এডভাণ্টেজ আছাম**ৰ দ্বিতীয় পৰ্যায়ৰ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থকাটো নিশ্চিত হৈছে। ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে চাহ জনগোষ্ঠীৰ ঝুমুৰ নৃত্যক ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যোৱাৰ উদ্দেশ্যে হ'বলগীয়া এটা অনুষ্ঠানতো ভাগ ল'ব। গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত হ'বলগীয়া এই অনুষ্ঠানত ৰাজ্যৰ প্ৰায় ১০ হাজাৰ চাহ জনগোষ্ঠীৰ শিল্পী কলা-কুশলীয়ে ঝুমুৰ নৃত্য পৰিৱেশন কৰিব।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীগৰাকীয়ে কালি নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি চৰকাৰৰ কেইবাটাও নতুন প্ৰকল্পৰ বিষয়ে সাংবাদিকসকলক অৱগত কৰে। ২৫ ফেব্ৰুৱাৰীৰ আগতে কেইবাটাও প্ৰকল্পৰ অনুমোদনৰ বাবে ৰাজ্য চৰকাৰে চেষ্টা কৰা বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ ভিতৰত বঙাইগাঁও শোধনাগাৰৰ শোধন ক্ষমতা ৫ মিলিয়ন মেট্ৰিক টনলৈ বৃদ্ধিৰ পৰিকল্পনা, নামৰূপৰ সাৰ কাৰখানাৰ পৰিসৰ বৃদ্ধি, অতি সোনকালে নাৰেঙ্গী-কুৰুৱা দলংসহ গুৱাহাটী ৰিং ৰোডৰ নিৰ্মাণৰ আধাৰশিলা স্থাপনৰ ব্যৱস্থা, কাজিৰঙাৰ এলিভেটেড কৰিডৰ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ, বৰাপানীৰ পৰা শিলচৰ পথছোৱা ৪ ঘণ্টাত অতিক্ৰমৰ ব্যৱস্থা আদি কেইবাটাও প্ৰকল্পৰ কথা তেওঁ উল্লেখ কৰে।

মুখ্যমন্ত্ৰী শৰ্মাই কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীকো সাক্ষাৎ কৰি ৰাজ্যৰ হাইড্ৰ'কাৰ্বন উদ্যোগৰ উন্নয়নৰ ক্ষেত্ৰক শক্তিশালী কৰি তোলাৰ বাবে কেন্দ্ৰৰ সহযোগৰ বাবে অনুৰোধ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে শ্ৰীপুৰীক অহা ফেব্ৰুৱাৰী মাহত ৰাজ্যত হ'বলগীয়া **এডভাণ্টেজ আছাম** শীৰ্ষক সন্মিলনৰ বাবেও আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰী শৰ্মাৰ লগত এই সাক্ষাতকালত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য

মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু ৰাজ্য চৰকাৰৰ কেইবাজনো জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সংসদ ভৱনত লোকসভাৰ অধ্যক্ষ ওম বিৰলাকো সাক্ষাৎ কৰে।

০০০০০০

অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি মহাৰাষ্টত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ আৰু দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ সৈতে বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী শৰ্মাই কালি নতুন দিল্লীত এখন সংবাদমেলত অহা ৭ ডিচেম্বৰৰ ১২ বজাত অসম মন্ত্ৰীসভাৰ সামান্য সম্প্ৰসাৰণ কৰা হ'ব বুলি উল্লেখ কৰে। এই সম্প্ৰসাৰণত কিমানজন মন্ত্ৰী অন্তৰ্ভুক্ত হ'ব সেয়া আজি দলৰ কেন্দ্ৰীয় নেতৃত্বৰ সৈতে আলোচনাৰ পাছতহে সিদ্ধান্ত লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰী শৰ্মাই মন্তব্য কৰে। লগতে এইবাৰ মন্ত্ৰীসভাত বৰাক উপত্যকাৰ পৰা প্ৰতিনিধি অন্তৰ্ভুক্ত কৰাৰ কথা তেওঁ উল্লেখ কৰে।

০০০০০০

ৰাজ্য চৰকাৰে ৰেস্তোৰাঁ, হোটেল আৰু অন্য ৰাজহুৱা অনুষ্ঠান নাইবা সামাজিক স্থানত গো-মাংসৰ ব্যৱহাৰ সম্পূৰ্ণ ৰূপে নিষিদ্ধ ঘোষণা কৰিছে। কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। এই অনুসৰি পূৰ্বতে বাধা থকা ধৰ্মীয় স্থানৰ পৰা ৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ এলেকাৰ পৰিৱৰ্তে ৰাজহুৱা স্থানতো এই মাংসৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে। তদুপৰি ৰাজ্যখনত সংস্কৃত শিক্ষাক পুনৰুজ্জীৱিতকৰণৰ বাবে ৰাজ্য চৰকাৰে ৯৭ খন সংস্কৃত টোল আৰু পালি টোলৰ জৰিয়তে ভাৰতীয় ইতিহাস, সংস্কৃতি আৰু সভ্যতাৰ সংৰক্ষণত নেতৃত্ব লোৱাৰ সিদ্ধান্ত মন্ত্ৰীসভাই গ্ৰহণ কৰে। নলবাৰী সংস্কৃত মহাবিদ্যালয়ক নলবাৰী সংস্কৃত অধ্যয়ন কেন্দ্ৰ আৰু গৱেষণা কেন্দ্ৰ হিচাপে ৰূপান্তৰ কৰাৰ উপৰি বিজ্ঞান আৰু গণিতৰ দৰে আধুনিক বিষয়ৰ লগতে সংস্কৃত, বেদ, জ্যোতিষ, বাস্তুশাস্ত্ৰ আদি শিকোৱাৰ বাবে সমৰ্পিত বিশেষ বিদ্যালয় হিচাপেও এই টোলসমূহ ৰূপান্তৰ কৰা হ'ব। এনে বিদ্যালয়সমূহ বিদ্যালয় শিক্ষা বিভাগৰ অধিকাৰ ক্ষেত্ৰলৈ অনা হ'ব আৰু নলবাৰীৰ কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন বিশ্ববিদ্যালয়ৰ সৈতে সংযুক্ত কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

অসমৰ বিশিষ্ট সাহিত্যিকসকলক তেওঁলোকৰ অনবদ্য অৱদানৰ বাবে সন্মানিত কৰিবলৈ মন্ত্ৰীসভাই অসম সাহিত্য বঁটা আৰু পেঞ্চন বিধি ১৯৭৪ ক অসম সাহিত্য পেঞ্চন আৰু সাহিত্য বঁটা বিধি ১৯৭৪ হিচাপে সংশোধনত অনুমোদন জনায়। ইয়াৰ ফলত প্ৰকৃত সাহিত্যসেৱীসকলক বঁটা আৰু পেঞ্চন প্ৰদানৰ নিয়মত কিছু সাল-সলনি কৰা হ'ব। এই বঁটা ৬০ বছৰ বা তাতকৈ ঊৰ্ধৰ ব্যক্তিয়ে লাভ কৰিব। যদি বঁটাপ্ৰাপ্ত ব্যক্তিগৰাকীয়ে ইতিমধ্যে আন কোনো পেঞ্চন লাভ কৰিছে, তেন্তে অতিৰিক্ত মাহিলী পেঞ্চনৰ পৰিৱৰ্তে তেওঁ প্ৰশংসা পত্ৰ আৰু ৫০ হাজাৰ টকাৰ এককালীন বঁটা লাভ কৰিব। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ সংহত টাৰ্মিনেলটো ১৩ নিযুতৰো অধিক যাত্ৰীৰ সামৰ্থ্যৰে বিকশাই তোলাৰ বাবে ৩৫৮ কোটি টকাৰ স্থানত মন্ত্ৰীসভাই অতিৰিক্তভাৱে ১১৬ কোটিৰো অধিক টকাৰ অনুমোদন জনাইছে।

০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা দেৱেন্দ্ৰ ফাড়নবিছে আজি তৃতীয়বাৰৰ বাবে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব। মুম্বাইৰ ঐতিহাসিক আজাদ ময়দানত বিয়লি হ'বলগীয়া এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণে শ্ৰীফাড়নবিছক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। উল্লেখযোগ্য যে, শ্ৰীফাড়নবিছক কালি সৰ্বসন্মতি ক্ৰমে বিজেপি বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত কৰা হয়। দেৱেন্দ্ৰ ফাড়ণবিছে কালি মিত্ৰজোঁটৰ শিৱসেনাৰ নেতা একনাথ সিন্দে আৰু এন চি পিৰ মুৰববী অজিত পাৱাৰে ৰাজ্যপাল চি পি

ৰাধাকৃষ্ণণক সাক্ষাৎ কৰে আৰু মহাৰাষ্ট্ৰত চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, এন ডি এ শাসনাধিস্থিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰীসকলে এই শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব।

ৰাজ্যপালৰ সৈতে হোৱাৰ বৈঠকৰ পিছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীফাড়নবিছে কয়, যে শিৱসেনা আৰু এন চি পিৰ বাহিৰেও ৰাষ্ট্ৰীয় সমাজপক্ষ, জনসূৰ্য শক্তি দল, যুৱ স্বাভিমান পক্ষৰ ৰবি ৰানা আৰু দুগৰাকী নিৰ্দলীয় বিধায়কে তেওঁলৈ সমৰ্থন আগবঢ়াইছে।

০০০০০০

ধুবুৰীৰ ঐতিহ্যমণ্ডিত শ্ৰীগুৰু টেগ বাহাদুৰ ছাহিব গুৰুদ্বাৰত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ৩৪৯ সংখ্যক শ্বহীদী দিৱস পালন কৰা হৈছে। শিখসকলৰ নৱম গুৰু টেগ বাহাদুৰে স্থাপন কৰা ধুবুৰীৰ এই গুৰুদ্বাৰত আয়োজিত এই দিৱসৰ কাৰ্যসূচীত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ লগতে দেশ-বিদেশৰ পৰা বহুলোকে অংশগ্ৰহণ কৰিছে। এই সন্দৰ্ভত ধুবুৰীৰ আমাৰ সংবাদদাতা প্ৰদীপ সাহাই এইদৰে কয়-

**ভইচ কাষ্ট (প্ৰদীপ সাহা)**

বিগত বছৰবোৰৰ দৰে এইবাৰো উত্তৰ-পূব সীমান্ত ৰে'লৰে কৰ্তৃপক্ষই শ্বহীদী দিৱস উপলক্ষে ডিব্ৰুগড়-ধুবুৰী এখন বিশেষ যাত্ৰীবাহী ৰে'লৰ ব্যৱস্থা কৰিছে। আনহাতে তিনিদিনীয়া এই শ্বহীদী দিৱসৰ সামৰণিৰ দিনটো অৰ্থাৎ অহা ৭ ডিচেম্বৰৰ বিয়লি ধুবুৰীৰ পৰা ডিব্ৰুগড়লৈ আন এখন বিশেষ ৰে'লগাড়ীৰো ব্যৱস্থা কৰা হৈছে বুলি ৰে'ল কৰ্তৃপক্ষই জানিবলৈ দিছে।

০০০০০০

অসম মুছলিম বিবাহ আৰু বিচ্ছেদ পঞ্জীয়ন আইন, ১৯৩৫ বাতিল কৰাক লৈ এটা সংগঠনে দাখিল কৰা আবেদনৰ ভিত্তিত গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰলৈ জাননী কৰিছে। এই সন্দৰ্ভত সদৌ অসম মুছলিম বিবাহ আৰু বিচ্ছেদ পঞ্জীয়ক তথা কাজী সন্থা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। সংগঠনটোৰে দাখিল কৰা এখন লেখ আবেদনৰ শুনানি গ্ৰহণ কৰি কালি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ এল জমিৰ আৰু কৌশিক গোস্বামীৰ খণ্ড বিচাৰপীঠে বিষয়টোক লৈ ৰাজ্য চৰকাৰলৈ জাননী জাৰি কৰে। ন্যায়ালয়ে ৪ সপ্তাহৰ ভিতৰত চৰকাৰী পক্ষসমূহক শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ১৯৩৫ চনৰ আইনখনৰ বিলোপ ঘটাই ৰাজ্য চৰকাৰে নতুনকৈ অসম বাধ্যতামূলক মুছলিম বিবাহ আৰু বিচ্ছেদ পঞ্জীয়ন আইন, ২০২৪ প্ৰৱৰ্তন কৰিছিল।

০০০০০০

কাইলৈৰ পৰা ৮ ডিচেম্বৰলৈ গোলাঘাটৰ জিলা পুথি ভঁৰালত আন্তঃৰাষ্ট্ৰীয় যুৱ সন্মিলন অনুষ্ঠিত হ'ব। দেশৰ বিভিন্ন ৰাজ্যৰ লগতে ১১ খন বিদেশী ৰাষ্ট্ৰৰ প্ৰতিনিধিয়ে এই সন্মিলনত অংশ ল'ব। সামাজিক উন্নয়ন মঞ্চ, অসমৰ উদ্যোগত, সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়, দেৱৰাজ ৰয় মহাবিদ্যালয়, সৰুপথাৰ মহাবিদ্যালয় আৰু শ্ৰীমন্ত শংকৰদেৱ যুৱ আৰু সামাজিক উন্নয়ন বিষয়ক সন্মিলৰ আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে সংবাদমেলত প্ৰকাশ কৰে।

**-বাইট-**

০০০০০০

**কালি অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ বৈঠকত ৰাজ্যত ৰাজহুৱা স্থানত গো মাংস নিষিদ্ধ হোৱাৰ সিদ্ধান্ত গুৱাহাটীৰ পৰা আজি প্ৰকাশিত বাতৰি কাকতসমূহে প্ৰথম পৃষ্ঠাত**

গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। ৭ ডিচেম্বৰত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণাক কাকতসমূহে প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। মহাৰাষ্ট্ৰত আজি হবলগীয়া দেবেন্দ্ৰ ফডনবিশ মন্ত্ৰীসভাৰ শপতগ্ৰহণৰ বাতৰিটো দৈনিক অসম, দৈনিক জনমভূমি, আমাৰ অসম, অসমীয়া প্ৰতিদিন, দৈনিক অগ্ৰদূত, নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে। বিশেষ সাহায্য মঞ্জুৰী শিতানত ৩ বছৰে কেন্দ্ৰই অসমক এটকাও মোকলাই নিদিয়াক লৈ দৈনিক অসম কাকতে অসমক আজিও মাহীআইৰ দৃষ্টি শীৰ্ষৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ধৰ্মীয় শাস্তি ভুগি স্বৰ্ণ মন্দিৰৰ প্ৰৱেশদ্বাৰত পঞ্জাবৰ প্ৰাক্তন উপ মূখ্যমন্ত্ৰী তথা শিৰোমণি আকালি দলৰ নেতা সুখবিৰ সিং বাদললৈ গুলিচালনাত তেওঁৰ প্ৰাণৰক্ষা পৰাৰ সন্দৰ্ভত The Assam Tribune, দৈনিক জনমভূমি, অসমীয়া প্ৰতিদিন, অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত বাতৰটো স্থান দিছে। অসমৰ ৬ জনগোষ্ঠীক শীঘ্ৰেই জনজাতিকৰণ কৰাৰ দাবী সাংসদ গৌৰৱ গগৈয়ে উত্থাপন কৰাৰ বাতৰিটো দৈনিক জনমভূমি, অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে

অসমকে ধৰি উত্তৰ পূবত ৰেলৰে প্ৰকল্পসমূহৰ বাবে কেন্দ্ৰই ১০,৩৭৬ কোটি টকা আবণ্টন দিয়াৰ সন্দৰ্ভত The Sentinel কাকতে প্ৰথম পৃষ্ঠাত এটা বাতৰি প্ৰকাশ কৰিছে। দক্ষিন কোৰিয়াৰ ৰাষ্ট্ৰপতি য়ুন চুক য়ুলৰ অপসাৰণৰ বাবে দেশখনৰ বিৰোধী দলসমূহে প্ৰস্তাৱ আগবঢ়াইছে। এই বাতৰিটো The Assam Tribune কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ছমাহ ধৰি মহাকাশত আবদ্ধ মহাকাশচাৰী সুনিতা উইলিয়ামচ আজি পৃথিৱীলৈ উভতি আহিব। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মুচলমান বিবাহ, বিচ্ছেদ পঞ্জীয়নৰ আইনী বৈধতা সম্পৰ্কত ৰাজ্য চৰকাৰলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে জাননী জাৰি কৰি ৪ সপ্তাহৰ ভিতৰত শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছে। বাতৰিটো দৈনিক অসম, দৈনিক অগ্ৰদূত, the Sentinel কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ট্ৰেডিং প্ৰবঞ্চক মিন্তু দাসক দিল্লীত গ্ৰেপ্তাৰ কৰাৰ বাতৰিটো দৈনিক অগ্ৰদূত আৰু The Assam Tribune কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে: সীমা বিশ্বাসলৈ আইদেউ সন্দিকৈ সোঁৱৰণী শিল্পী বঁটা, কলাগুৰু সন্দৰ্গত গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে প্ৰস্তুত কৰা গ্ৰন্থত উদ্ভত তথ্যক লৈ ৰাজ্যজুৰি প্ৰক্ৰিয়া, ৰাজ্যৰ ৩ গৰাকী আদৰ্শ কৃষকক ৰাষ্ট্ৰীয় বঁটা প্ৰদান, বশিষ্ঠ নৈত আৱৰ্জনা পেলোৱাৰ বাবে ৪৫ হাজাৰ টকা জৰিমনা।

০০০০০০

ওমানৰ মাস্কটত অনুষ্ঠিত পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতে চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰিছে। কালি অনুষ্ঠিত ফাইনেল খেলত ভাৰতে পাকিস্তানক ৫-৩ গ'লত পৰাস্ত কৰে। খেলখনত অৰজিৎ সিঙে ৪টা গ'ল দি খেলখনত বিজয় সাব্যস্ত কৰাৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰে। দিলৰাজ সিঙে এটা গ'ল দিয়ে। পাকিস্তানৰ হৈ ছুফায়ান খানে দুটা আৰু হন্নান ছাহিদে এটা গ'ল দিয়ে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত হকী ইণ্ডিয়াই কয়, যে ভাৰতীয় খেলুৱৈসকলৰ একাগ্ৰতা, দক্ষতা আৰু সমৰ্পিত মনোভাৱৰ বাবেই এই বিজয় সম্ভৱ হৈ উঠিছে। এই প্ৰতিযোগিতাত এয়া হৈছে ভাৰতৰ পঞ্চমটো খিতাপ। ইয়াৰ পূৰ্বে ২০০৪, ২০০৮, ২০১৫ আৰু ২০২৩ চনত ভাৰতে বিজয়ীৰ খিতাপ দখল কৰিছিল।

০০০০০০

ওড়িশাৰ ভুৱনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত অহা ৭ৰ পৰা ৯ ডিচেম্বৰলৈ অনুষ্ঠিত হ’বলগীয়া ৩৯ সংখ্যক ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকছ্ প্ৰতিযোগিতাত অংশগ্ৰহণৰ উদ্দেশ্যে অসমৰ ২৬ জনীয়া এটা দল কালি ৰাওনা হৈছে। ল’ৰাৰ শাখাত ১৩ গৰাকী আৰু ছোৱালীৰ শাখাত ৮ গৰাকী খেলুৱৈ অন্তৰ্ভুক্ত হোৱা এই দলটো প্ৰতিযোগিতাৰ মুঠ ১১টা ইভেণ্টত অৱতীৰ্ণ হ’ব বুলি অসম এথলেটিক সন্থাই এখন প্ৰেছ্ বিজ্ঞপ্তিযোগে প্ৰকাশ কৰিছে।

০০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছ্ৰোৰ নৱতম মহাকাশ যান PSLV-C59 আজি বিয়লি শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা উৎক্ষেপন কৰা হ’ব। ইছ্ৰোৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি আজি বিয়লি ৪ বাজি ১২ মিনিটত PSLV-C59 যানখনে ইউৰোপীয় মহাকাশ সংস্থাৰ প্ৰোবা থ্ৰী উপগ্ৰহলানি মহাকাশত উৎক্ষেপন কৰিব। উল্লেখযোগ্য যে, ইছ্ৰোৱে PSLV-C 59 প্ৰোবা থ্ৰী মহাকাশ যানৰ বিজুতিৰ বাবে এই উৎক্ষেপন অভিযানৰ সময় পুনৰ নিৰ্ধাৰণ কৰে। পূৰ্বে কালি বিয়লি ৪ বাজি ৮ মিনিটত এই উৎক্ষেপনৰ সময় নিৰ্ধাৰণ কৰা হৈছিল।

বিশ্বৰ ভিতৰতে প্ৰথম এই প্ৰোবা থ্ৰীত থকা উপগ্ৰহ দুটা কক্ষপথত উপনীত হোৱাৰ পাছত দুভাগত বিভক্ত হ’ব। এই উপগ্ৰহসমূহে সৌৰ মুকুট, ইয়াৰ চৌপাশৰ বাতাবৰণ, মহাকাশৰ বতৰ আৰু সৌৰ বতাহৰ অধ্যয়ন কৰিব। ইছ্ৰোৰ বাণিজ্যিক শাখা নিউ স্পেচ ইণ্ডিয়া লিমিটেডে এই প্ৰোবা থ্ৰী উপগ্ৰহলানি মহাকাশত উৎক্ষেপনৰ বাবে ইউৰোপীয় মহাকাশ সংস্থাৰ পৰা ফৰমাচ লাভ কৰিছে।

০০০০০০

নাট্য আন্দোলনৰ অন্যতম গুৰিধৰোঁতা, অসম নাট্য সন্মিলনৰ প্ৰাক্তন প্ৰধান সম্পাদক তথা কাৰ্যকৰী সভাপতি চৈয়দ নাজিম আহমেদৰ কালি সন্ধিয়া লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত দেহাৱসান ঘটে। মৃত্যুৰ পূৰ্বে তেওঁ দীৰ্ঘদিন ধৰি অসুস্থ হৈ চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭১ বছৰ।

০০০০০০

সমাপ্ত